অসম বিধান সভা
তৰাবিহীণ প্ৰশ্ন নং: ৩১১
উত্তৰ দিবলগীয়া তাৰিখ: ১৪/০৭/২০২৬

বিষয়: অৰুণোদয়
বিধায়কৰ নাম: মাননীয় শ্ৰী ৰমা কান্ত দেউৰী

**প্ৰশ্ন**

**মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) অসমত বৰ্তমানলৈকে আৰু কিমান দুখীয়া পৰিয়ালৰ অৰুণোদয় আঁচনিৰ অন্তৰ্ভূক্ত কৰিব বাকী আছে?

(খ) উক্ত দুখীয়া পৰিয়ালক **১২৫০** টকাৰ পৰা বৃদ্ধি কৰি **৩০০০** টকা কৰাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

**উত্তৰ**

**মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী শ্ৰী জয়ন্ত মল্লবৰুৱা মহোদয়ে উত্তৰ দিব :**

(ক) আঁচনিখনৰ নিয়মাৱলী অনুসৰি যোগ্য হিতাধিকাৰীৰ অন্তৰ্ভুক্তি আৰু অযোগ্য হিতাধিকাৰীৰ কৰ্তন এক অবিৰত প্ৰক্ৰিয়া। সেয়ে, কিমান দুখীয়া পৰিয়ালক অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত কৰিব বাকী আছে সেইসম্পৰ্কত পোনপটীয়া তথ্য উপলব্ধ নহয়। চৰকাৰে সময়ে সময়ে প্ৰাপ্ত আবেদন, অভিযোগ আৰু উপলব্ধ তথ্যৰ ভিত্তিত যোগ্য হিতাধিকাৰীৰ অন্তৰ্ভুক্তি আৰু অযোগ্য হিতাধিকাৰীৰ কৰ্তনৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে।

আঁচনিৰ নিৰ্ধাৰিত যোগ্যতাৰ মাপকাঠি অনুসৰি এতিয়ালৈকে ৩৯,৫১,৯৬৮ গৰাকী যোগ্য হিতাধিকাৰীক অগ্ৰাধিকাৰ ভিত্তিত বাচনি কৰি অনুদান প্ৰদান কৰা হৈছে আৰু সেয়ে অৰুণোদয় আঁচনিৰ অধীনত হিতাধিকাৰীৰ সংখ্যা ২০ লাখৰ পৰা অৰুণোদয় ২.০ৰ অধীনত ২৭ লাখ আৰু অৰুণোদয় ৩.০ৰ অধীনত ৩৯ লাখলৈ বৃদ্ধি পাইছে।

(খ) বৰ্তমানৰ চৰকাৰে অৰুণোদয় আঁচনিখনৰ প্ৰাৰম্ভণিতে নিৰ্ধাৰণ কৰি দিয়া অনুদানৰ পৰিমাণ ৮৩০ টকাৰ পৰা ১,০০০ টকালৈ আৰু পৰৱৰ্তী সময়ত ১,২৫০ টকালৈ বৃদ্ধি কৰিছে। অনুদানৰ পৰিমাণ অধিক বৃদ্ধি কৰাৰ বিষয়টো চৰকাৰে বাৰ্ষিক পুঁজিৰ স্থিতি আৰু আঁচনিৰ পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি পৰ্যায়ক্ৰমে পৰ্য্যালোচনা কৰিব।

***

(উত্তৰৰ প্ৰতিলিপি https://asla.neva.gov.in ত আপলোড কৰা হৈছে)